# 2018

# ASSAMESE

## (MODERN INDIAN LANGUAGE)

**Full Marks : 100**

**Time : Three hours**

***The figures in the margin indicate full marks for the questions.***

উত্তৰ লিখা ঃ ১×৮=৮

(ক) সত্যনাথ বৰাৰ এখন প্ৰবন্ধ পুথিৰ নাম লিখা।

(খ) অসম সাহিত্য সভাৰ প্ৰথম সভাপতি কোন আছিল?

(গ) গৌৰৰ কেই ঠাইৰ পৰা উৎপন্ন হয়?

(ঘ) ছপাখানা আৰু কাগজ কোন দেশৰ আৱিষ্কাৰ?

(ঙ) শ্বপেনহাৱাৰ কোন আছিল?

(চ) কে'ম্ব্রিজ বিশ্ববিদ্যালয় কোনে প্রতিষ্ঠা কৰিছিল?

(ছ) প্রথম আহোম ৰজাজনৰ নাম কি?

(জ) মাউন্ট এভাৰেষ্ট সমুদ্র পৃষ্ঠৰ পৰা কিমান ফুট উচ্চতাত অৱস্থিত?

২। *যিকোনো পাঁচটা* প্রশ্নৰ উত্তৰ লিখা ঃ ২×৫=

(ক) ধনৰ *দুই* প্রকাৰৰ ব্যৱহাৰ কি কি?

(খ) ডান্টে কোন দেশৰ কবি? তেওঁৰ বিখ্যাত কাব্যগ্রন্থখনৰ নাম লিখা।

(গ) "সূতা ঘৰত কটা নহয়, দোকানৰ পৰা কিনি আনি ঘৰত বোৱা কাপোৰহে।" — কথাষাৰ কোনে, আগত কৈছিল?

(ঘ) দার্শনিক বেকনে কিতাপ পঢ়াৰ সম্পৰ্কত কি দিহা দিছিল?

(ঙ) হোমেন বৰগোহাঞিৰ *দুখন* উপন্যাসৰ নাম লিখা।

(চ) ইউৰোপত মধ্যযুগত স্থাপন হোৱা *যিকোনো দুখন* বিশ্ববিদ্যালয়ৰ নাম লিখা।

(ছ) চৰাইচোং কোনে কিহৰ বাবে স্থাপন কৰিছিল?

(জ) প্রথম অসমীয়া এভাৰেষ্ট আৰোহণকাৰী *দুজন* কোন কোন আছিল?



। *যিকোনো চাৰিটা* প্রশ্নৰ উত্তৰ লিখা ঃ ৪×৪=১৬

(ক) ৰূপ আৰু স্বাস্থ্যৰ পৰা গৌৰৱ কেনেকৈ উপজিব পাৰে, বুজাই লিখাঁ।

(খ) এডৱার্ড গিবনৰ চমু পৰিচয় দিয়া।

(গ) কে'ম্ব্রিজ বিশ্ববিদ্যালয়ৰ পাঠদানকার্য সম্পর্কে চমুকৈ আলোচনা কৰাঁ।

(ঘ) পুৰণি কালত বিহুৰ সময়ত কেনে ধৰণৰ খেল অনুষ্ঠিত হৈছিল?

(ঙ) গান্ধীজীৰ প্রথম অসম ভ্রমণ সম্পর্কে এটি টোকা লিখা।

(চ) "কিছুমান কিতাপে ৰাইজৰ ওপৰত অদ্ভুত প্রভাৱ পেলায়।" — কথাষাৰ বুজাই লিখাঁ।

(ছ) "ধন ঘটিবলৈ উজু, কিন্তু ৰাখিবলৈ টান" — এই কথাৰ সাৰমর্ম ব্যাখ্যা কৰা।

। *যিকোনো এটাৰ* চমু টোকা লিখা ঃ ৬

- প্রকৃত গৌৰৱৰ কাৰণ
- অসমৰ লোক ক্রীড়া
- প্রফুল্ল দত্ত গোস্বামী

। উত্তৰ লিখা ঃ ১×৩=৩

(ক) মাধৱ কন্দলিক কোনে অপ্রমাদী কবি বুলি অভিহিত কৰিছিল?

(খ) দেৱকান্ত বৰুৱাৰ কবিতা পুথিখনৰ নাম লিখা।

(গ) প্ৰথম অসমীয়া ৰোমান্টিক কবি কোন?

৬। *যিকোনো চাৰিটা* প্ৰশ্নৰ উত্তৰ লিখা : ২×

(ক) 'নাগপাশ' কি? হনুমানক কোনে নাগপাশেৰে বান্ধিছিল?

(খ) 'জলনিধি' আৰু 'মহদানন্দ' শব্দৰ অৰ্থ লিখা।

(গ) মালিতা কি? ই কেইবিধ?

(ঘ) জোনাকী যুগৰ ত্ৰিমূৰ্তি বুলি কাক কাক বুজোৱা হয়?

(ঙ) দেৱকান্ত বৰুৱাই কাক, কিয় মাতুল ঘাতক নবী বুলি কৈছে?

(চ) ৰাজপথ কবিতাটিৰ ৰচক কোন? কবিতাটি কোনখন আলোচনীত প্ৰথম প্ৰকাশ পাইছিল?

(ছ) হেম বৰুৱাৰ *দুখন* কবিতা পুথিৰ নাম লিখা।

৭। *যিকোনো দুছোৱা* ব্যাখ্যা কৰা : ৪×

(ক) লংকা পুৰি হনুমন্ত গৈল যেন মতে।
আপুনিয়ো দেখিলাহা পাত্ৰ সমন্বিতে॥



(খ) দেশৰ কাৰণে আজিও বিনায় হেজাৰ ডেকাৰ হিয়া,
দেশৰ সেনানী! আকৌ মাথোন এবাৰ হুকুম দিয়া।

(গ) খোপাত পিন্ধিছে বনৰ পখিলা,
আটাই আপোন ধন।
বন ফুলৰ মৌ পিছে কোনোৰে বা
শান্ত হ মানুহ মন।

(ঘ) এইখন এখন মহাকাব্য, পৰ্বতৰ মৌন ভাষাই
লেখি যোৱা তেজৰ বুৰঞ্জী।

৮। মূলভাৱ লিখা : *(যিকোনো এটাৰ)* ৬

বৰগীত : জয় জয় যাদৱ, ধনবৰ ৰতনী, এখন চিঠি।

৯। চৈয়দ আব্দুল মালিকৰ প্ৰথম প্ৰকাশিত চুটিগল্প পুথিখনৰ নাম লিখা। ১

১০। *যিকোনো এটাৰ* উত্তৰ লিখা : ২

(ক) 'বিয়াৰ প্ৰেজেন্ট' গল্পটো প্ৰথমতে কোনখন আলোচনীত প্ৰকাশ পাইছিল? এই গল্পটোত থকা অসুখ হোৱা ছোৱালীজনীৰ নাম কি?

(খ) "তেনেহলে তুমি বিয়ালৈ আৰু নগ'লাই? তেওঁলোকে বেয়া নেপাবনে চাগে?" — কথাষাৰ কোনে, কাক কৈছিল?

১১। *যিকোনো এটা* প্ৰশ্নৰ উত্তৰ লিখা ঃ ৪

(ক) নাজিয়া কিয় অকলে বিয়ালৈ যাবলগীয়া হৈছিল, বুজাই লিখা।

(খ) 'বিয়াৰ প্ৰেজেন্ট' গল্পটোত মানৱতাবাদৰ প্ৰকাশ কিদৰে ঘটিছে, চমুকৈ আলোচনা কৰা।

১২। উত্তৰ দিয়া ঃ ১×২=২

(ক) কুশল কোঁৱৰ কাৰ আজো নাতি?

(খ) কুশল কোঁৱৰে কাৰ আগত নিজৰ শেষ বাণী দিছিল?

১৩। *যিকোনো এটা* প্ৰশ্নৰ উত্তৰ লিখা ঃ ২

(ক) কুশল কোঁৱৰৰ পিতৃ আৰু মাতৃৰ নাম লিখা।

(খ) "মোৰ মানত মহাত্মা গান্ধী এগৰাকী বিৰাট পুৰুষ। তেখেত মোৰ গুৰু।" — কথাষাৰ কোনে কাৰ আগত কৈছিল?

১৪। *যিকোনো দুটাৰ* উত্তৰ লিখা ঃ ৪×২=৮

(ক) কুশল কোঁৱৰৰ নাটকৰ নাট্যকাৰ কোন? নাট্যকাৰ ৰূপে তেওঁৰ চমু পৰিচয় দাঙি ধৰা।

(খ) কুশল কোঁৱৰে স্কুল এৰাত তেওঁৰ দেউতাকৰ প্ৰতিক্ৰিয়া কেনে আছিল, লিখা।



(গ) কুশল কোঁৱৰৰ নাটকত থকা ডাবোগাজনৰ নাম কি? তেওঁৰ আগত কুশল কোঁৱৰে নিজৰ বংশৰ বিষয়ে কি কৈছে?

১৫। *যিকোনো এটাৰ* চমু টোকা লিখা ঃ ৬

কুশল কোঁৱৰৰ নাটকৰ প্ৰভাৱতী, সৰুপথাৰৰ ৰেল দুৰ্ঘটনা।

১৬। অসমীয়াত শব্দৰ আদিস্থানত 'ৱ' আৰু 'য়' ৰ ব্যৱহাৰ হয়নে? সংস্কৃতৰ আদিস্থানৰ 'ৱ' আৰু 'য়' অসমীয়াত কি হিচাপে লিখা হয়? ২

*অথবা*

অ স্বৰটোৰ সোঁফালে ওপৰত উৰ্দ্ধকমা দি লিখা অ' স্বৰেৰে গঠিত চাৰিটা শব্দ লিখা।

১৭। অসমীয়া ভাষাত চন্দ্ৰবিন্দুৰ ব্যৱহাৰ ক'ত ক'ত নহয়, উদাহৰণসহ লিখা। ৪

*অথবা*

তলত দিয়া *চাৰিযোৰ* সমোচ্চাৰণ শব্দৰ অৰ্থৰ পাৰ্থক্য দেখুওৱা ঃ

কাণ — কান

গুলি — গুলী

ধুতি — ধৃতি

অণু — অনু

চাল — ছাল

শৰ — সৰ

১৮। ভাৱ সম্প্ৰসাৰণ কৰা ঃ 8

যত্ন কৰিলে ৰত্ন পায়।

*অথবা*

যেনে কুকুৰ তেনে টাঙোন।

——×——